জনসংযোগ, অসম
মুখ্যমন্ত্রীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৩৫৩/২০২২

**আউনীআটী সত্ৰৰ নামঘৰ সমাৰোহ আৰু জালুকবাৰী সমষ্টিৰ মেধাবী ছাত্ৰ-ছাত্ৰীক সম্বৰ্দ্ধনা অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ**

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সমাজত অমৃত ৰস বোৱাঁইছিল ঃ মুখ্যমন্ত্ৰী

## বৈষম্য, পক্ষপাতিত্বহীন আদৰ্শ সমাজ গঢ়াৰ আহ্বান মুখ্যমন্ত্ৰী

### চাকৰি বিচৰা নহয়, চাকৰি সৃষ্টিকৰ্তা হোৱাৰ আকাংক্ষা থকা উচিত ঃ মুখ্যমন্ত্ৰী

### তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ চাকৰিৰ মাজতে নিজৰ আকাংক্ষা সীমাবদ্ধ নাৰাখিবলৈ ছাত্ৰ-ছাত্ৰীক আহ্বান

### ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিযোগিতাৰ সংস্কৃতি গঢ়ি তুলিবলৈ আহ্বান মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ৪ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি আউনীআটী সত্ৰৰ উত্তৰ গুৱাহাটী শাখাৰ উদ্যোগত আয়োজিত তিনিদিনীয়া নামঘৰ সমাৰোহত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। আনহাতে মুখ্যমন্ত্ৰীয়ে হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱা জালুকবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত মেধাবী ছাত্ৰ-ছাত্ৰীসকলৰ বাবে চাংসাৰী হাইস্কুল খেলপথাৰত অনুষ্ঠিত হোৱা সম্বৰ্দ্ধনা অনুষ্ঠানত সমষ্টিটোৰ বিধায়ক হিচাপে অংশগ্ৰহণ কৰে।

নামঘৰ সমাৰোহত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ পিতাম্বৰ দেৱগোস্বামী আৰু তেওঁৰ সহযোগীসকলে এই আধ্যাত্মিক সমাৰোহৰ আয়োজন কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা একশৰণ নামধৰ্মৰ অনুগামীসকলৰ এই সমাৱেশে ৰাজ্যৰ সামাজিক-সাংস্কৃতিক দিশত কৃষ্ণ ভক্তিৰ যি প্ৰৱাহ তাক বহুদূৰ আগুৱাই লৈ যাবলৈ সক্ষম হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নৱ বৈষ্ণৱ আন্দোলনৰ মাধ্যমেৰে আধ্যাত্মিকতাবাদৰ প্ৰৱাহ বোৱাঁইছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মধ্য যুগৰ এইগৰাকী গুৰুৱে অসমীয়া সমাজত অমৃত ৰস প্ৰদান কৰিছিল। পাঁচশ বছৰ পূৰ্বে মহাপুৰুষগৰাকীয়ে ভক্তিবাদৰ যি উন্মেষ সাধন কৰিছিল তাৰ জৰিয়তে আজিও ৰাজ্যৰ সামাজিক-সাংস্কৃতিক জীৱনধাৰাক গভীৰভাৱে প্ৰভাৱিত কৰি আছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ

অন্যতম শিষ্য মাধৱদেৱেও তেৰাৰ আধ্যাত্মিকতাৰ এই দৰ্শন শক্তিশালীকৰণৰ দিশত অনন্য অৰিহণা আগবঢ়াই গৈছে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে মানৱ জাতিৰ ঐক্য সাধনৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে জন্মৰ ওপৰত ভিত্তি কৰি পক্ষপাতিত্ব আৰু বৈষম্য আতঁৰ কৰাৰ বাবে দৃঢ়তাৰে প্ৰয়াস চলাইছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে মহাপুৰুষগৰাকীয়ে বিচৰা এখন আদৰ্শ সমাজ গঢ়ি তোলাৰ বাবে কাম কৰিবলৈ আহ্বান জনায়। জাতি আৰু ধৰ্ম ঈশ্বৰৰ দ্বাৰা সৃষ্ট নহয়, বৰং মানৱ জাতিৰ সৃষ্টি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে জন্মৰ ভিত্তিত বৈষম্য আঁতৰ কৰিবলৈ আহ্বান জনায়।

আধ্যাত্মিক বিশ্ববিদ্যালয় স্থাপনৰ বাবে আউনীআটী সত্ৰই গ্ৰহণ কৰা পদক্ষেপত ৰাজ্য চৰকাৰে সকলো ধৰণৰ সহযোগিতা আৰু সমৰ্থন আগবঢ়াব বুলিও মুখ্যমন্ত্ৰীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এই বিশ্ববিদ্যালয়ৰ কেইটামান বিভাগ উত্তৰ গুৱাহাটীত আৰম্ভ কৰিলে ৰাজ্য চৰকাৰে ইয়াৰ বাবেও প্ৰয়োজনীয় সহযোগিতা আগবঢ়াব।

ইয়াৰ পিছত মুখ্যমন্ত্ৰীয়ে যোৱা হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত উল্লেখযোগ্য সফলতা লাভ কৰা জালুকবাৰী সমষ্টিৰ অন্তৰ্গত পৰীক্ষাৰ্থীসকলৰ বাবে চাংসাৰী হাইস্কুল খেলপথাৰত আয়োজন কৰা অভিনন্দন কাৰ্যসূচীতো অংশ গ্ৰহণ কৰে।

সম্বৰ্দ্ধনা অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে সফলতা লাভ কৰা বিদ্যাৰ্থীসকলক অভিনন্দন জ্ঞাপন কৰি কয় যে ২০০১ চনত প্ৰথমবাৰৰ বাবে সমষ্টিটোৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হোৱাৰ পিছৰে পৰা সমষ্টিটোৰ শৈক্ষিক পৰিৱেশ ক্ৰমান্বয়ে উন্নত হৈছে। তেওঁ কয় যে ২০০২ চনত মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সমষ্টিটোৰ পৰা কমেও ৩০০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম বিভাগ পাবলৈ সক্ষম হৈছিল। ২০২২ চনত এই সংখ্যাই প্ৰথমবাৰৰ বাবে ২০০০ অতিক্ৰম কৰিছে বুলিও তেওঁ কয়। শতাংশ হিচাপত এইটো দুটা দশকৰ ভিতৰত ৭০০ শতাংশ বৃদ্ধি বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে জালুকবাৰীৰ শৈক্ষিক পৰিৱেশৰ এই পৰিবৰ্তন সকলো পক্ষৰ একত্ৰিত প্ৰয়াসৰ ফচল বুলিও কয়।

মুখ্যমন্ত্ৰীয়ে সম্বৰ্দ্ধনা জনোৱা ছাত্ৰ-ছাত্ৰীসকলক উচ্চ লক্ষ্য নিৰ্দ্ধাৰণ কৰিবলৈ পৰামৰ্শ আগবঢ়াই আগন্তুক দিনত কেৱল তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ চাকৰিৰ মাজতে নিজৰ আকাংক্ষা সীমাবদ্ধ নাৰাখিবলৈ আহ্বান জনায়। তেওঁ লগতে কয় যে চাকৰি বিচৰা নহয়, চাকৰি সৃষ্টিকৰ্তা হোৱাৰ আকাংক্ষা কৰা উচিত। নতুন আৰু পুনৰুত্থানশীল ভাৰতে নিজৰ নিজৰ আগ্ৰহ আৰু বৃত্তিৰ ক্ষেত্ৰত অসাধাৰণ সফলতা লাভ কৰাৰ অপৰিসীম সুযোগ প্ৰদান কৰিছে। মুখ্যমন্ত্ৰীয়ে নতুন যুগৰ প্ৰযুক্তি আৰু ডিজিটেলাইজেশ্যনে আগবঢ়োৱা অৰ্থনৈতিক সুযোগসমূহৰ সৰ্বোত্তম ব্যৱহাৰ কৰিব পৰাকৈ দক্ষতা প্ৰশিক্ষণ আৰু দক্ষতা আহৰণৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

মুখ্যমন্ত্ৰীয়ে জালুকবাৰী সমষ্টিৰ ছাত্ৰ-ছাত্ৰীসকলক পূৰ্বতকৈ অধিক উচ্চাকাংক্ষী হ'বলৈ আহ্বান জনায়। প্ৰকৃত সফলতাৰ বাবে আন্তৰিকতা, নিষ্ঠা আৰু কঠোৰ পৰিশ্ৰমৰ সৈতে সংযুক্ত হ'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিযোগিতাৰ সংস্কৃতি গঢ়ি তুলিবলৈ আহ্বান জনায়। সমষ্টিটোৰ লগতে ৰাজ্যৰ অন্যান্য প্ৰান্তত উচ্চ শিক্ষাৰ কেন্দ্ৰসমূহ গঢ় লৈ উঠিছে আছে আৰু সেইসমূহত

সম্পূৰ্ণ যোগ্যতাৰ ভিত্তিত নামভৰ্তি কৰা হ'ব বুলি তেওঁ জনায়।

মুখ্যমন্ত্ৰীয়ে কয় যে যোৱা দুটা দশকত জালুকবাৰী সমষ্টি আৰু ইয়াৰ আশে-পাশে উল্লেখযোগ্য অৰ্থনৈতিক অগ্ৰগতি হৈছে। এই অৰ্থনৈতিক বিকাশে অধিক গতি লাভ কৰিবলৈ গৈ আছে। সৰ্বভাৰতীয় আৰ্য়ুবেদ প্ৰতিষ্ঠানকে ধৰি একাধিক আন্তঃগাঁথনি প্ৰকল্প আগন্তুক দিনত কাৰ্যক্ষম হৈ উঠিব। তেওঁ আশা প্ৰকাশ কৰি কয় যে সকলো ক্ষেত্ৰতে দেশৰ ভিতৰত অসমক এখন উল্লেখযোগ্য ৰাজ্যলৈ পৰিবৰ্তন কৰাৰ দিশত জালুকবাৰীয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা ল'বলৈ সক্ষম হ'ব।

আজিৰ এই সম্বৰ্দ্ধনা অনুষ্ঠানত ৰাজ্য চৰকাৰৰ শিক্ষা উপদেষ্টা ড° ননী গোপাল মহন্ত, প্ৰাইড্ ইষ্ট এন্টাৰটেইনমেন্টৰ অধ্যক্ষা তথা পৰিচালন সঞ্চালক ৰিণিকী ভূঞা শৰ্মা, কামৰূপ জিলাৰ উপায়ুক্ত কীৰ্ত্তি জাল্লি প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**অয়ন / হেঃশঃ**
**০৪/১২/২০২২**